# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-01-2025
**Time :** 0900 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

**- - - - - - - - - - - - - -**

১। উমৰাংছ্‌'ৰ তিন কিলোৰ কয়লা খনিত উদ্ধাৰ অভিযান অব্যাহত। কোনো শ্ৰমিকক জীৱিত অৱস্থাত উদ্ধাৰৰ সম্ভাৱনা নাই বুলি উদ্ধাৰকাৰী সংস্থাৰ প্ৰকাশ।

২। বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগটো পূৰ্ণাংগ বিভাগৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুমোদন। ৰাজ্যবাসী উৎফুল্লিত।

৩। বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশনৰ আজি দ্বিতীয় দিনাৰ কাৰ্যসূচীত অ-বড়ো লোকসকলৰ সৈতে বাৰ্তালাপ, বড়ো ভাষাৰ অনুভৱ, অভিজ্ঞতা, বড়ো ভাষাৰ মৰ্যাদা বিষয়ক আলোচনা চক্ৰ।

৪। গুৱাহাটীৰ খানাপাৰা ফাৰ্ম গেট খেলপথাৰত আজিৰে পৰা তিনিদিনীয়াকৈ পশুধন আৰু হাঁহ-কুকুৰা মেলাৰ আয়োজন।

*আৰু*

৫। গুৱাহাটীত আজি আই এছ এলৰ এখন খেলত নৰ্থ-ইষ্ট ইউনাইটেড এফ চি, পাঞ্জাৱ এফ চিৰ সন্মুখীন।

০০০০০০

যোৱা সোমবাৰে উমৰাংছ্‌'ৰ তিন কিলোৰ কয়লা খনিত হঠাতে সোমোৱা পানীৰ বাবে সংঘটিত দুৰ্ঘটনাৰ চাৰি দিন অতিবাহিত হোৱাৰ পাছতো খনিৰ ভিতৰত আবদ্ধ শ্ৰমিকৰ সন্ধান উলিয়াব পৰা হোৱা নাই। উদ্ধাৰ কাৰ্যত নিয়োজিত নৌ সেনা বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সাহায্য বাহিনী, সেনা বাহিনী, ক'ল ইণ্ডিয়া লিমিটেডৰ উদ্ধাৰকাৰী বাহিনী আদি সকলো সংস্থাই এতিয়া কোনো শ্ৰমিকক জীৱিত অৱস্থাত উদ্ধাৰ কৰিব পৰা অৱস্থা নাই বুলি ঘোষণা কৰিছে। বিশাখাপট্টনমৰ নৌ সেনা কমাণ্ডৰ পৰা অহা উদ্ধাৰকাৰী দলে কালিও উদ্ধাৰ কাৰ্যত দূৰ সংবেদী বাহন ব্যৱহাৰ কৰে আৰু ক'ল ইণ্ডিয়াই ব্যৱহাৰ কৰা উচ্চমানৰ পানী নিষ্কাষণ যন্ত্ৰে খনিৰ আভ্যন্তৰৰ পৰা পানী সিঁচাৰ কাম অব্যাহত ৰাখে। অসমৰ লগতে পশ্চিমবংগ আৰু নেপালৰ শ্ৰমিক আবদ্ধ হৈ থকাৰ বাতৰি ওলোৱাৰ লগে লগে তিন কিলোলৈ অহা শ্ৰমিক কেইজনৰ পৰিয়ালৰ লোকে অধীৰ আগ্ৰহেৰে প্ৰিয়জনক জীৱিত অথবা মৃত অৱস্থাত পোৱাৰ আশাৰে উদ্ধাৰ অভিযান স্থলীত প্ৰচণ্ড শীতকো নেওচি দিন-ৰাতি অতিবাহিত কৰিছে। আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি কালি নিশালৈ চলা অভিযানত কোনো মৃতদেহ উদ্ধাৰ কৰিব পৰা হোৱা নাই। নৌ সেনা, বায়ু সেনা আৰু অসম আৰক্ষীৰ নিৰৱিচ্ছিন্নভাৱে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। বিশাখাপট্টনমৰ পৰা অনা বিশেষ যন্ত্ৰে কালি দিনৰ ভাগৰে পৰা উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। আজিও আবদ্ধ শ্ৰমিকৰ সন্ধানত উদ্ধাৰকাৰী দলে উদ্ধাৰ অভিযান চলাব। ইতিমধ্যে ঘটনাস্থলীত অসম আৰক্ষীৰ শীৰ্ষ সেনা বিষয়াকে ধৰি বহু জ্যেষ্ঠ অভিযন্তাই উদ্ধাৰ অভিযানৰ বাবে বাহৰ পাতি আছে।

ইফালে, কংগ্ৰেছকে ধৰি কেইবাটাও বিৰোধী দলে উমৰাংছ্‌'ৰ খনি দুৰ্ঘটনাৰ প্ৰকৃত তথ্য চৰকাৰে দিয়া নাই বুলি অভিযোগ কৰিছে। উচ্চতম ন্যায়ালয়ে নিষিদ্ধ ঘোষণা কৰাৰ পাছতো কিদৰে ৰাজ্যখনত এন্দুৰৰ গাঁত সদৃশ গাঁত খান্দি অবৈধভাৱে কয়লা নিষ্কাষণ কাৰ্য চলাই থকা হৈছে, সেই বিষয়েও বিৰোধী দলসমূহে চৰকাৰৰ পৰা স্পষ্টিকৰণ দাবী কৰিছে।

০০০০০

কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ দ্বাৰা প্ৰতিষ্ঠিত দেশৰ অন্যতম সন্মানজনক শিক্ষা প্ৰতিষ্ঠান শান্তি নিকেতনৰ বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগটো পূৰ্ণাংগ বিভাগৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় অনুদান আয়োগে অনুমোদন জনাইছে। বিশ্বভাৰতী কৰ্তৃপক্ষই কালি আনুষ্ঠানিকভাৱে এই অনুমোদন পত্ৰ লাভ কৰে।

বিশ্বভাৰতীৰ তৰফৰ পৰা পূৰ্ণাংগ অসমীয়া বিভাগৰ বাবে যোৱা বছৰৰ ৩ এপ্ৰিলত প্ৰস্তাৱ সম্বলিত বিস্তৃত প্ৰতিবেদন আয়োগলৈ প্ৰেৰণ কৰা হৈছিল। আয়োগে বিশ্ব ভাৰতীৰ পৰা প্ৰস্তাৱিত ৬টা অধ্যাপক পদৰ বিপৰীতে ৪টা পদত অনুমোদন দিছে। ইয়াৰে ভিতৰত এটা সহযোগী আৰু তিনিটা সহকাৰী অধ্যাপকৰ পদ। কেন্দ্ৰীয় বিত্ত বিভাগে অনুমোদন জনালেই ৰাজ্যখনৰ বাহিৰৰ একমাত্ৰ অসমীয়া ভাষা শিক্ষাৰ বিভাগটো কাৰ্যকৰীভাৱে পূৰ্ণাংগ বিভাগলৈ উন্নীত হ'ব। ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা অসমীয়া ভাষা-শিক্ষাৰ গৱেষণাৰ এই স্বীকৃতিয়ে ৰাজ্যবাসীক আনন্দিত কৰি তুলিছে। বিশ্বভাৰতীৰ সাংবাদিকতা বিভাগৰ প্ৰাক্তন ছাত্ৰ তথা আমাৰ সংবাদদাতা মানস প্ৰতীম শৰ্মা বৰ্তমান বিশ্বভাৰতী চৌহদত আছে আৰু ক্ষন্তেক সময় আগতে তেওঁ আমাক এইদৰে জনাইছে-

(ভইচ)

২০১৬ চনৰে পৰা বিশ্ববিদ্যালয়খনৰ অসমীয়া বিভাগটোক পূৰ্ণাংগৰূপে গঢ়ি তোলাৰ বাবে দাবী উত্থাপন কৰি অহা হৈছিল। ১৯৭৯ চনত এজনীয়া অধ্যাপক আসনেৰে আৰম্ভ হোৱা বিভাগটোৱে আৰু ৪ বছৰৰ পিছতে স্বৰ্ণ জয়ন্তী বৰ্ষত ভৰি দিব।

ooooo

ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত কালিৰে পৰা বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশন চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে অধিৱেশনৰ মূল তোৰণ আৰু সাহিত্য অকাডেমী বঁটাপ্ৰাপক ড০ ৰীতা বড়োৱে খেংখ্ৰাই শীৰ্ষক শুভংকৰ উন্মোচন কৰে। অধিৱেশনৰ সৈতে সংগতি ৰাখি গঢ়ি তোলা বড়ো লিটাৰেৰী পায়'নিয়াৰ পাৰ্কখন সাহিত্য অকাডেমী বঁটাপ্ৰাপক নবীন মল্ল বড়োৱে উদ্বোধন কৰে।

আজি দ্বিতীয় দিনাৰ কাৰ্যসূচীত অ-বড়ো লোকসকলৰ সৈতে বাৰ্তালাপ, বড়ো ভাষাৰ অনুভৱ, অভিজ্ঞতা, বড়ো ভাষাৰ মৰ্যাদা সম্পৰ্কে এখন আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীৰ সঞ্চালনাত হ'বলগীয়া আলোচনা চক্ৰখনত অসম লোকসেৱা আয়োগৰ অধ্যক্ষ দেৱৰাজ উপাধ্যায়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ইছমাইল হুছেইন আৰু বড়ো স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে' সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আজি ডিমাকুছি শীৰ্ষক এখন স্মৃতি গ্ৰন্থও উন্মোচন কৰিব। ইয়াৰ পাছত চুবুৰীয়া ৰাষ্ট্ৰ নেপাল আৰু বাংলাদেশৰ লগতে ভাৰতৰ কেইবাখনো ৰাজ্যৰ প্ৰতিনিধিৰ সৈতে বিশেষ মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আবেলি সাহিত্য অকাডেমী বঁটাপ্ৰাপক নন্দেশ্বৰ দৈমাৰীয়ে কবি সন্মিলনৰ উদ্বোধন কৰিব।

ooooo

বিশিষ্ট চলচ্চিত্ৰ পৰিচালক, প্ৰযোজক, অভিনেতা তথা সুদক্ষ খেলুৱৈ সমৰেন্দ্ৰ নাৰায়ণ দেৱ গুৱাহাটী চিকিৎসালয় মহাবিদ্যালয় হাস্পতালত আই চি ইউত চিকিৎসাধীন হৈ আছে। যোৱা ৬ জানুৱাৰীত সংকটজনক অৱস্থাত তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। সমৰেন্দ্ৰ নাৰায়ণ দেৱৰ চিকিৎসাৰ ক্ষেত্ৰত কোনো ধৰণৰ ত্ৰুটি নকৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধীক্ষকক নিৰ্দেশ দিয়াৰ লগতে ১ লাখ টকাৰ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। তেওঁ কেইবাখনো নাটক, চলচ্চিত্ৰ, তথ্যচিত্ৰ, ধাৰাবাহিক পৰিচালনা কৰাৰ উপৰি বিভিন্ন সামাজিক সংগঠনৰ সৈতে জড়িত আছিল।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতাৰ আবেদন পত্ৰ গ্ৰহণৰ আজি অন্তিম দিন। ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীসকলে আজিৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ আকাশবাণী গুৱাহাটী চানমাৰিত থকা কাৰ্যালয়ত নিজ হাতে জমা দিব পাৰিব।

ooooo

কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু কৃষি তথা কৃষক কল্যাণ দপ্তৰৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপস্থিতিত ৰাজ্যত ৫০ হাজাৰ প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ প্ৰৱেশ অনুষ্ঠান আৰু বিশিষ্ট অভিনেত্ৰী জ্ঞানদা কাকতিৰ মৃত্যুৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে দুয়োটা বাতৰি মুখ্য বাতৰি হিচাপে ফটো সহকাৰে প্ৰকাশ কৰিছে। **আমাৰ অসম** কাকতৰ প্ৰধানমন্ত্ৰী আবাস যোজনাৰ বাতৰিটোৰ শিৰোনাম '৫০ হাজাৰ লোকৰ ঘৰ, উপস্থিত কেন্দ্ৰীয় মন্ত্ৰী চৌহান ঃ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ'। **অসমীয়া খবৰ** আৰু **দা ছেন্টিনেল** কাকতেও এই বাতৰিটো ফটোসহ

মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে জ্ঞানদা কাকতিৰ মৃত্যুৰ বাতৰিটোৰ সমান্তৰালকৈ দেশত নিবনুৱা সমস্যাই ভয়াৱহ ৰূপ লোৱাৰ সন্দৰ্ভত প্ৰস্তুত কৰা এটা বিতং বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম 'দেশত ক্ৰমে সংকুচিত নিয়োগৰ ক্ষেত্ৰঃ ৮০ টা বিভাগত খালী ৯ লাখ ৫৬ হাজাৰ পদ'। **দৈনিক জনমভূমি** কাকতে অসমত এটা প্ৰতিৰক্ষা কৰিডৰ স্থাপনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত সন্দৰ্ভত প্ৰস্তুত কৰা এটা বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ্ এছ'চিয়েচনে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ চৌহদ উত্তৰ গুৱাহাটীৰ ৰংমহললৈ স্থানান্তৰ কৰিবলৈ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছে। এই সন্দৰ্ভত বাৰ্ এছ'চিয়েচনৰ সংবাদমেল সম্বোধন কৰি চৰকাৰক তীব্ৰ সমালোচনা কৰাৰ এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। এ চি এছ বিষয়া অশ্বিনী দলেৰ অবৈধ সা-সম্পত্তি সন্দৰ্ভত মৰিগাঁও আৰু ডিমৌত মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাই অভিযান চলোৱাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে ফটোসহ গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতে বনজুইয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ লছ এঞ্জেল্‌ছৰ বিস্তীৰ্ণ অঞ্চলত ধ্বংসৰ সূচনা কৰাৰ এটা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক আমি বাতৰিৰ মাজলৈ পুনৰ ঘূৰি যাওঁ।

০০০০০

গুৱাহাটীৰ খানাপাৰা ফাৰ্ম গেট খেলপথাৰত পশুপালন আৰু পশু চিকিৎসা বিভাগ, অসম পশুধন আৰু হাঁহ-কুকুৰা নিগমৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ পশুধন আৰু হাঁহ-কুকুৰা মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত উত্তৰ পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ ডেৰ শতাধিক বিপণীয়ে অংশগ্ৰহণ কৰিব। মেলাত বিভিন্ন প্ৰজাতিৰ পশুধন, হাঁহ-কুকুৰা, আলংকৰিক চৰাই প্ৰদৰ্শন আৰু বিক্ৰীৰ উপৰি বিভিন্ন পশুজাত আৰু দুগ্ধজাত সামগ্ৰীৰ বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি পশুপালনত ব্যৱহৃত আধুনিক যন্ত্ৰপাতি, সঁজুলি, আচবাব আদি প্ৰদৰ্শনৰো ব্যৱস্থা কৰা হৈছে। আনহাতে, বিগত বৰ্ষৰ দৰে এইবাৰো মেলাত শ্ৰেষ্ঠ গো-পালক, ছাগলী পালক, ম'হ পালক, গাহৰি, পালক আৰু উন্নত জাতৰ ঘাঁহ খেতিয়কক ৰাজ্যিক আৰু জিলা-ভিত্তিক পুৰস্কাৰ প্ৰদান কৰা হ'ব। ৰাজ্যৰ সৰ্বশ্ৰেষ্ঠ পশুপালকক ১ লাখ টকাৰ পুৰস্কাৰ আগবঢ়োৱা হ'ব। পশুধন আৰু হাঁহ-কুকুৰা মেলা উপলক্ষে বিভিন্ন কাৰিকৰী সত্ৰ, আলোচনাচক্ৰ আদিৰ লগতে পশুপালকৰ বাবে বিনামূলীয়া প্ৰশিক্ষণৰো ব্যৱস্থা কৰা হৈছে।

০০০০০

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, তথ্য প্ৰযুক্তি আৰু বিজ্ঞান প্ৰযুক্তি তথা জলবায়ু পৰিৱৰ্তন মন্ত্ৰী কেশৱ মহন্তই কালি বেংককত থাইলেণ্ডৰ পৰ্যটন আৰু আতিথ্য খণ্ডৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হয় আৰু ২৫ ফেব্ৰুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীত হ'বলগীয়া বিনিয়োগকাৰী সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ আনুষ্ঠানিকভাৱে আমন্ত্ৰণ জনায়। তেওঁ লগতে থাইলেণ্ডৰ পৰ্যটন আৰু আতিথ্য ক্ষেত্ৰৰ আগশাৰীৰ প্ৰতিষ্ঠানসমূহৰ শীৰ্ষ কাৰ্যবাহীসকলৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হৈ সেই দেশৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্যটকসকলৰ মাজত অসমক আকৰ্ষণীয় পৰ্যটন ক্ষেত্ৰ হিচাপে উপস্থাপনৰ বিষয়টো আলোচনা কৰে। থাইলেণ্ডত ভাৰতৰ উপ-উচ্চায়ুক্ত পৌলমি ত্ৰিপাঠীৰ উপস্থিতিত হোৱা এই আলোচনাত অসম চৰকাৰৰ হৈ মন্ত্ৰী কেশৱ মহন্তৰ সৈতে উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা উদ্যোগ বিভাগৰ সচিব ডাঃ এছ লক্ষ্মণ, পৰ্যটন সঞ্চালক ৰণোজ বৰকটকী আৰু মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ যুটীয়া সচিব অভিষেক জৈন উপস্থিত থাকে।

০০০০০

একাদশ ইণ্ডিয়ান ছুপাৰ লীগত আজি গুৱাহাটী ইণ্ডিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত পাঞ্জাৱ এফ চি বিৰুদ্ধে নৰ্থ-ইষ্ট ইউনাইটেড এফ চিয়ে মুখামুখি হ'ব। চলিত এই লীগত নৰ্থ-ইষ্ট ইউনাইটেড আৰু পাঞ্জাৱ এফ চিয়ে তিনিবাৰকৈ মুখামুখি হৈছে। ইয়াৰে এখন খেল ড্ৰ হোৱাৰ বিপৰীতে উভয় দলে এখনকৈ খেলত জয়লাভ কৰিছে। উল্লেখযোগ্য যে পাঞ্জাৱ এফ চিয়ে একেৰাহে চাৰিখন খেলত পৰাস্ত হৈ গুৱাহাটীলৈ আহিছে। একেদৰে নৰ্থ-ইষ্ট ইউনাইটেড দলেও ক্ৰমাগতভাৱে তিনিখন খেলত অপৰাজেয় হৈ আছে আৰু দলটোৱে বৰ্তমানলৈকে ১৪খন খেলৰ পৰা ২২ পইণ্ট লাভ কৰি তালিকাৰ ষষ্ঠ স্থানত আছে।

০০০০০

ওদালগুৰি জিলাৰ খাগ্ৰাবাৰী জনতা হাইস্কুল খেলপথাৰত অনুষ্ঠিত ২২ সংখ্যক সৰ্বভাৰতীয় আন্থাইগৌৱা বডোছা গ'ল্ডকাপ ভলীবল চেম্পিয়নশ্বিপত এ এছ ই বি গুৱাহাটীয়ে তিনিচুকীয়াক ৩-০ ফলাফলত পৰাজিত কৰি

খিতাপ দখল কৰে। খাগ্ৰাবাৰী ক্ৰীড়া সন্থা আৰু খাগ্ৰাবাৰী আঞ্চলিক সমিতিৰ সহযোগত তথা এবছুৰ উদ্যোগত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড আৰু মণিপুৰৰ ঠায়ে ঠায়ে ডাঠ কুঁৰলী পৰাৰ লগতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব বুলি আগলি বতৰা জাৰি কৰিছে। আনহাতে বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যক কুঁৰলীয়ে আৱৰি থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২২ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৩ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ।

ooooo

সমাপ্ত